# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2025
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। জাতিৰ পিতা মহাত্মা গান্ধী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশে নেতা দুগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে।

২। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, আৰ এছ এছৰ সংঘচালক ডং মোহন ভাগৱতে কৈছে যে, স্বদেশী আৰু স্বাৱলম্বনৰ বিকল্প নাই।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ছাৰ ক্ৰিক এলেকাত পাকিস্তানে সংঘটিত কৰিব পৰা যিকোনো ধৰণৰ দুঃসাহসিক কাৰ্যৰ বিৰুদ্ধে দেশখনক সকীয়াই দিছে।

৪। ছুদানত এল ফেছাৰ মহানগৰৰ সমীপত ৰেপিড ছাপৰ্ট ফ'ৰ্চৰ ড্ৰ'ন আক্ৰমণত ৮ জন লোক নিহত হোৱাৰ উপৰি কেইবাজনো লোক আহত হয়।

*আৰু*

৫। আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোত হ'বলগীয়া এখন খেলত বাংলাদেশ পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

জাতিৰ পিতা মহাত্মা গান্ধীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশে মহান নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। দেশৰ ভিন ভিন স্থানৰ লগতে বিদেশত থকা ভাৰতীয় দূতাৱাসসমূহতো আজি বিভিন্ন কাৰ্যসূচীৰ গান্ধী জয়ন্তী উদযাপন কৰা হয়। মহাত্মা গান্ধীৰ ১৫৬ সংখ্যক জয়ন্তীৰ সৈতে সংগতি ৰাখি বাপুজীৰ সমাধি ৰাজঘাটত আজি এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে আজি পুৱা ৰাজঘাটত উপস্থিত হৈ গান্ধীজীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে মহাত্মা গান্ধীৰ ১৫৬ সংখ্যক জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত, মহাত্মা গান্ধীয়ে সত্য, অহিংসা আৰু সংহতিৰ বাণীৰে দেশৱাসীক ঐক্যবদ্ধ কৰিছিল বুলি উল্লেখ কৰি কয়, যে ইয়াৰ জৰিয়তে প্ৰতিজন লোকেই শান্তি, ভাতৃত্ব আৰু সত্যৰ পথেৰে আগবাঢ়ি যাবলৈ অণুপ্ৰেৰণা লাভ কৰিব।

অসমতো আজি গান্ধী জয়ন্তী উপলক্ষে প্ৰাৰ্থনা সভা আৰু অন্যান্য কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

oooooo

প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। ১৯৬৪ৰ পৰা ১৯৬৬ চনলৈ দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা লাল বাহাদুৰ শাস্ত্ৰীয়ে দুগ্ধ বিপ্লৱৰ সূচনা কৰিছিল। কৃষি আৰু কৃষকসকলৰ উন্নয়নৰ হকে প্ৰচেষ্টা লোৱা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশত সেউজ বিপ্লৱৰ সূচনা কৰাতো অগ্ৰনী ভূমিকা লৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা

জনাই কয়, যে জয় জোৱান, জয় কিষান ধ্বনিৰে তেওঁ জনগণৰ মনত দেশাত্মবোধৰ চেতনা জগাই তুলিছিল। তেওঁৰ অনবদ্য ব্যক্তিত্ব, আদৰ্শ আৰু দৃঢ়তাই প্ৰত্যাহ্বান পূৰ্ণ সময়ত দেশক নেতৃত্ব দিছিল বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। এখন শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশবাসীক অনুপ্ৰাণিত কৰি থাকিব বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০০০

ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, আৰ এছ এছৰ সংঘচালক ড° মোহন ভাগৱতে আজি কয়, যে ভাৰত আত্মনিৰ্ভৰ আৰু বিশ্ব সংহতিৰ দূত হ'বলৈ হ'লে দেশখনে নিশ্চিত কৰিব লাগিব যে আনৰ ওপৰত নিৰ্ভৰশীলতাই যাতে দেশক বাধাগ্ৰস্ত নকৰে আৰু নিজৰ মতে কাম কৰিবলৈ দেশক সমৰ্থ কৰি তোলে। স্বদেশী আৰু স্বাৱলম্বনৰ বিকল্প নাই বুলি উল্লেখ কৰি শ্ৰীভাগৱতে কয়, যে একেসময়তে দেশৱাসীয়ে আন্তৰ্জাতিক আৰু বাণিজ্য সম্পৰ্ক অটুত ৰাখিব লাগিব, কাৰণ কোনো দেশেই অকলশৰীয়াকৈ থাকিব নোৱাৰে।

আৰ এছ এছৰ শতবৰ্ষ উদযাপন আৰু বিজয়া দশমী উৎসৱত অংশগ্ৰহণ কৰি ড° ভাগৱতে এইদৰে কয়। নাগপুৰৰ ৰেচিমবাগত আজি পুৱা অনুষ্ঠিত বিজয়া দশমী উৎসৱত প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ড° ভাগৱতে কয়, যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পৰৱৰ্তী সময়ত দেশৱাসীয়ে দেশৰ নেতাসকলৰ শক্তিশালী নেতৃত্বৰ উমান পালে আৰু সশস্ত্ৰ বাহিনীৰ সাহস দেখিলে। নিজৰ ভাষণত তেওঁ চুবুৰীয়া ৰাষ্ট্ৰৰ ভূমিকা আৰু ভাৰতৰ স্থিতি, পৰিৱেশ সংৰক্ষণত গুৰুত্ব দি উন্নয়ন, সাংস্কৃতিক ঐক্য, ভাৰতৰ দাৰ্শনিক দৃষ্টিভংগী আদি বহু বিষয়ৰ উল্লেখ কৰে। ড° ভাগৱতে দৃঢ়তা প্ৰকাশ কৰি কয়, যে শতবাৰ্ষিকীত সংঘই ব্যক্তি নিৰ্মাণৰ কাম সমগ্ৰ দেশলৈ সম্প্ৰসাৰিত কৰাৰ লক্ষ্য লৈছে আৰু লগতে স্বয়ংসেৱকৰ জৰিয়তে সমাজৰ সকলো স্তৰলৈ পঞ্চ পৰিৱৰ্তন কাৰ্যসূচীক আগবঢ়াই নিয়াৰ সংকল্প কৰিছে।

মুখ্য অতিথি হিচাপে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দে কয়, যে নাগপুৰৰ সৈতে সম্পৰ্ক থকা দুজন চিকিৎসকে তেওঁৰ জীৱন গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। এই ছেগতে তেওঁ ড° কেশৱ বালিৰাম হেগড়েৱাৰ আৰু ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ কথা উল্লেখ কৰে। শ্ৰীকোৱিন্দে কয়, যে এই দুগৰাকী নেতাৰ সামাজিক সংহতিৰ দৰ্শনে তেওঁৰ বাবে ৰাষ্ট্ৰপতি পদৰ দৰে শীৰ্ষ পদত অধিষ্ঠিত হোৱাটো সম্ভৱ কৰি তুলিছিল।

অন্যান্য স্বয়ংসেৱকসকলৰ লগতে অনুষ্ঠানত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নৱিছ আৰু কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীও উপস্থিত আছিল। আৰ এছ এছ বিজয় দশমী উৎসৱত সংঘৰ শতবাৰ্ষিকী উপলক্ষে বৌদ্ধ আধ্যাত্মিক গুৰু দালাই লামাই প্ৰেৰণ কৰা বাৰ্তা পাঠ কৰা হয়। প্ৰথম সংঘ চালক ড° কেশৱ হেগড়েৱাৰে ১৯২৫ চনৰ বিজয়া দশমীত নাগপুৰত বিশ্বৰ সৰ্ববৃহৎ সামাজিক সংগঠন আৰ এছ এছ প্ৰতিষ্ঠা কৰিছিল।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ছাৰ ক্ৰিক এলেকাত পাকিস্তানে সংঘটিত কৰিব পৰা যিকোনো ধৰণৰ দুঃসাহসিক কাৰ্যৰ বিৰুদ্ধে দেশখনক সকীয়াই দিছে। ভাৰতে এনে কাৰ্যৰ উপযুক্ত প্ৰত্যুত্তৰ দিব বুলি সকীয়নি দি তেওঁ লগতে কয়, যে ইয়াৰ ফলত ইতিহাস আৰু ভূগোল দুয়োটাই সলনি হৈ যাব পাৰে। বিজয়া দশমীৰ সৈতে সংগতি ৰাখি কটচ্চৰ লক্কি নালা মিলিটাৰী গেৰিচনত আয়োজন কৰা শস্ত্ৰ পূজন উৎসৱত অংশগ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ সৈতে কথা পাতে আৰু তেওঁৰ স্বাস্থ্যৰ বুজ লয়। প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছ নেতাগৰাকীৰ আশু আৰোগ্য কামনা কৰি তেওঁৰ সু-স্বাস্থ্য আৰু দীৰ্ঘ জীৱনৰ বাবে প্ৰাৰ্থনা কৰে।

০০০০০০

সমগ্ৰ দেশতে আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিজয়া দশমী আৰু দশেৰা উদযাপন কৰিবলৈ লোৱা হৈছে। আজিৰ দিনটোৱেই নৱৰাত্ৰি আৰু দুৰ্গা পূজাৰ সামৰণিৰ দিন। ৰাৱণৰ বিৰুদ্ধে ভগৱান ৰামৰ বিজয়ৰ সৈতে সংগতি ৰাখি অশুভৰ বিৰুদ্ধে শুভ শক্তিৰ জয় সূচক উৎসৱ হিচাপে দশেৰা উদযাপন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিল্লীৰ লালকিল্লাৰ মাধৱ দাস উদ্যানত আয়োজিত দশেৰা উৎসৱত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় ৰাজধানীৰ ৰামলীলা সমিতিয়ে সুকীয়াকৈ আয়োজন কৰা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব। পূব দিল্লীৰ পটপৰগঞ্জ এলেকাত আয়োজন কৰা এই অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকী সন্ধিয়া প্ৰায় ৬ বজাত উপস্থিত হৈ পৰম্পৰাগত ৰাৱন দাহ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

নাগালেণ্ড চৰকাৰলৈ কৰ হস্তান্তৰকৰণৰ অগ্ৰমী কিস্তি হিচাপে ১ লাখ এহেজাৰ ৬০৩ কোটি টকা মোকলাই দিয়াৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই প্ৰমানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনক ধন্যবাদ জনাইছে। সামাজিক মাধ্যম এক্সত শ্ৰীৰিঅ'ই কয়, যে সময়মতে মোকলাই দিয়া এই ধনে ৰাজ্যখনৰ লগতে দেশৰ কল্যাণ, বিকাশ আৰু মূলধনী ব্যয়ত সহায় কৰিব।

০০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মুক্তি যুজাৰু তথা তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কে. কামৰাজক আজি মৃত্যু বাৰ্ষিকীত স্মৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয়, যে প্ৰয়াত কামৰাজৰ জীৱন সৰলতা, সংহতি আৰু জনগণৰ সেৱাত উৎসৰ্গিত আছিল। তেওঁ লগতে কয়, যে কে. কামৰাজে শিক্ষা আৰু সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ উন্নয়নত অমূল্য অৱদান আগবঢ়াই গৈছে। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে লাখ লাখ শিশুৰ জীৱনলৈ ৰূপান্তৰ অনা মধ্যাহ্ন ভোজন আঁচনি প্ৰৱৰ্তনৰ বাবেও প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীক স্মৰণ কৰে। দেশৰ মুক্তি সংগ্ৰাম আৰু তামিলনাডুৰ মুখ্যমন্ত্ৰী হিচাপে ৰাজ্যখনলৈ কে. কামৰাজে যোগোৱা অৱদানকো উপৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে প্ৰশংসা কৰে।

০০০০০০

ছুদানত এল ফেছাৰ মহানগৰৰ সমীপত ৰেপিড ছাপৰ্ট ফ'ৰ্চৰ ড্ৰ'ন আক্ৰমণত ৮ জন লোক নিহত হোৱাৰ উপৰি কেইবাজনো লোক আহত হয়। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি ঘটনাস্থলীতে ৫ জন অসামৰিক লোকৰ মৃত্যু হয়, আনহাতে ৩ জন গুৰুতৰভাৱে আহত লোকৰ চিকিৎসালয়ত মৃত্যু হয়। কমেও ১২ জন আহত লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। দেশখনত গৃহযুদ্ধ চলি থকাৰ পৰিপ্ৰেক্ষিতত বিদ্ৰোহী গোটে অসামৰিক লোক বাস কৰা অঞ্চলক প্ৰায়ে আক্ৰমণৰ লক্ষ্য কৰি লোৱা দেখা গৈছে। ছুদানিজ আৰ্মড ফ'ৰ্চ আৰু ৰেপিড ছাপৰ্ট ফ'ৰ্চৰ মাজত ২০২৩ চনৰ এপ্ৰিলৰ পৰা চলি থকা গৃহযুদ্ধত কেইবা হাজাৰ লোকৰ মৃত্যু হোৱাৰ লগতে লাখ লাখ লোক স্থানচ্যুত হৈছে।

০০০০০০

আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্রিকেট প্রতিযোগিতাত আজি কলম্বোৰ আৰ. প্রেমদাছা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত বাংলাদেশ পাকিস্তানৰ বিৰুদ্ধে অৱতীর্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

প্রতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত যোৱাবাৰৰ চেম্পিয়ন অষ্ট্রেলিয়াই নিউজিলেণ্ডক ৮৯ ৰানত পৰাস্ত কৰে। ইন্দোৰৰ হলকাৰ ক্রিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি প্রথমে বেটিং কৰাৰ সিদ্ধান্ত লোৱা অষ্ট্রেলিয়াই ৪৭ অভাৰ আৰু তিনিটা বলত ৩২৬ ৰান কৰে। প্রত্যুত্তৰত নিউজিলেণ্ডে মাত্র ২৩৭ ৰানতে আটাইকেইটা উইকেট হেৰুৱাই পৰাজয় বৰণ কৰে।

oooooo

আহমেবাদত অনুষ্ঠিত প্রথমখন টেষ্ট মেছত ৱেষ্ট ইণ্ডিজে ভাৰতৰ বিৰুদ্ধে আজি ভোজন বিৰতীৰ পৰলৈকে ৫টা উইকেটৰ বিনিময়ত ৯০ ৰান কৰে। ইয়াৰ পূর্বে প্রতিযোগিতাত টছত জিকি ৱেষ্ট ইণ্ডিজে প্রথমে বেট ধৰিবলৈ লয়। উল্লেখযোগ্য যে, ৰঙা বলৰ ক্রিকেটত ভাৰতৰ নতুন অধিনায়ক শুভমন গিলৰ নেতৃত্বত দেশখনৰ ঘৰুৱা ছিজনৰ আৰম্ভণিৰ দুখনীয়া টেষ্ট শৃংখলাৰ এইখন হ'ল প্রথমখন খেল। এই শৃংখলাৰ দ্বিতীয়খন খেল অহা ১০ অক্টোবৰত দিল্লীত আৰম্ভ হ'ব।

oooooo

**সমাপ্ত**